Child Dev. Project Office * Telahi ICDS Project *

অসম চৰকাৰ
শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়
তেলাহী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, লখিমপুৰ

---

No. CDPO(Tel)Engagement/49/2023-24/226 Date:- 05/01/2026

**ADV NO – TELAHI ICDS AWW/2025/226**

## বিজ্ঞাপন

অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সঞ্চালকালয়ৰ পত্ৰ নং E/395002/401 Dated Guwahati, the 7th October, 2025 অনুসৰি ইয়াৰ দ্বাৰা সকলোৰে জ্ঞাতাৰ্থে জনোৱা যায় যে তেলাহী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত তলত উল্লেখ কৰা অঙ্গনৱাড়ী কেন্দ্ৰৰ খালী হোৱা অঙ্গনৱাড়ী কৰ্মী পদৰ বিপৰীতে দহ (১০)বছৰ অভিজ্ঞতা থকা সহায়িকা সকলৰ পৰা পদোন্নতিৰ (Upgradation/ Promotion) বাবে নিৰ্দ্ধাৰিত কেন্দ্ৰৰ ৰাজহ গাঁৱৰ ভিতৰৰ উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে।ইচ্ছুক প্ৰাৰ্থী সকলে নিৰ্দ্ধাৰিত প্ৰ–প্ৰত্ৰত সকলো যাৱতীয় নথি পত্ৰৰ স্ব–প্ৰত্যায়িত প্ৰতিলিপি সহ সদ্যহতে উঠোৱা পাৰ পত্ৰ জোখৰ এখন ফটো লগত গাঠি দিব লাগিব। অসম্পূৰ্ণ আবেদন পত্ৰ অথবা যাৱতীয় নথি পত্ৰ অবিহনে নাইবা নিৰ্দ্ধাৰিত এলেকাৰ বাহিৰৰ প্ৰাৰ্থীৰ আবেদন পত্ৰ নাকচ কৰা হব।

**অঙ্গনবাড়ী কেন্দ্ৰৰ নাম – ১। হোকাচাপৰি অঙ্গনবাড়ী কেন্দ্ৰ - (হোকাচাপৰি ৰাজহ গাঁও)**

**২। গোসাইখাট বালিজান অঙ্গনবাড়ী কেন্দ্ৰ -**
**(আজাৰগুৰি গোসাইখাট ৰাজহ গাঁও )**

**চৰ্তাৱলী :-**

১/ প্ৰাৰ্থী সকল স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক হ'ব লাগিব।

২/ প্ৰাৰ্থী সকল নিৰ্দ্ধাৰিত অঙ্গনবাড়ী কেন্দ্ৰৰ ৰাজহ গাঁৱৰ এলেকাৰ স্থানীয় বাসিন্দা হ'ব লাগিব। আবেদন পত্ৰৰ লগত স্থানীয় চৰকাৰী গাঁওবুঢ়া/সভাপতি/সদস্য/গাঁও পঞ্চায়তৰ সভাপতি/ৱাৰ্ড কমিচনাৰে স্বাক্ষৰ কৰা বাসিন্দাৰ প্ৰমান পত্ৰ আবেদনৰ লগত গাঠি দিব লাগিব।

৩/ প্ৰাৰ্থীৰ বয়স ০১-০১-২০২৬ তাৰিখত সৰ্বোচ্চ ৫০ বছৰৰ ভিতৰত হ'ব লাগিব।

৪/ প্ৰাৰ্থী গৰাকী ০১-০১-২০২৬ তাৰিখত নিম্নলিখিত দহ (১০) বছৰ অভিজ্ঞতা থকা সহায়িকা হ'ব লাগিব।

৫/ কেৱল সেই সকল অঙ্গনৱাড়ী সহায়িকা পদোন্নতিৰ (Upgradation/ Promotion) বাবে যোগ্য হ'ব যি সকলে মাধ্যমিক শিক্ষা পৰিষদ অসমৰ দ্বাৰা যথাযথ ভাৱে স্বীকৃত বিদ্যালয়ৰ পৰা নৱম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে।

৬/ সংশ্লিষ্ট বিদ্যালয় প্ৰধান/অধ্যক্ষই জাৰী কৰা নৱম শ্ৰেণীৰ পৰীক্ষা উত্তীৰ্ণৰ প্ৰমান প্ৰত্ৰ সংশ্লিষ্ট প্ৰাথমিক শিক্ষা বিষয়াৰ দ্বাৰা প্ৰতি স্বাক্ষৰ কৰা হ'ব লাগিব।

৭/ প্ৰাৰ্থী গৰাকী মাতৃ আৰু শিশু কল্যাণৰ হকে নিষ্ঠাৰে কাম কৰাৰ প্ৰতি আগ্ৰহী হ'ব লাগিব আৰু শিশু বিকাশ আঁচনিত সমাজত জড়িত কৰিব পৰা হ'ব লাগিব।

৮/ প্ৰাৰ্থী সকলে নিজৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ ও নম্বৰ তালিকা, অন্যান্য অভিজ্ঞতা, জাতিৰ প্ৰমাণ পত্ৰ, সংশ্লিষ্ট এলেকাৰ বাসিন্দাৰ প্ৰমাণ প্ৰত্ৰ, বিশেষ ভাৱে সক্ষমৰ প্ৰমাণ পত্ৰ ইত্যাদিৰ স্ব-প্ৰত্যায়িত নকল আবেদনৰ লগত দাখিল কৰিব লাগিব। সাক্ষাত কাৰৰ সময়ত উক্ত নথি সমূহৰ মুল কপি বাচনি সমিতিক দেখুৱাব লাগিব।

৯/ প্ৰাৰ্থী সকলে অভিজ্ঞতা আৰু পাৰদৰ্শিতা প্ৰমান পত্ৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি আবেদনৰ লগত গাঁঠি দিব লাগিব।

Child Dev. Project Office

১০/ আবেদন গ্ৰহণৰ সময় দিনৰ ১০ বজাৰ পৰা আবেলি ৩ বজালৈ (কাৰ্যালয় খোলা থকা দিনত)।

**আবেদন গ্ৰহণৰ শেষ তাৰিখ – ১৬-০১-২০২৬ (আবেলি ৩ বজালৈ)।**

১১/ নিৰ্বাচিত হোৱা প্ৰাৰ্থীয়ে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত স্বেচ্ছামূলক সেৱা আগবঢ়োৱাৰ সন্মতি পত্ৰ প্ৰদান কৰিব লাগিব।

১২/ অঙ্গনবাড়ী কৰ্মীৰ অৱসৰৰ বয়স ৬০ বছৰ। কৰ্মী গৰাকীৰ ৬০ বছৰ হোৱাৰ লগে লগে উক্ত পদৰ পৰা অব্যাহতি দিয়া হ'ব।

১৩/ যদি কোনো ভূল তথ্য বা ভূল নথি প্ৰত্ৰ দাখিল কৰি প্ৰাৰ্থী নিৰ্বাচিত হয়, পৰৱৰ্তী পৰ্যায়ত সেয়া প্ৰমানিত হ'লে সেই প্ৰাৰ্থী পদৰ পৰা বৰ্খাস্ত কৰা হ'ব।

১৪/ সাক্ষাত কাৰৰ তাৰিখ, স্থান ইত্যাদি কাৰ্যালয়ৰ জাননী ফলকত দিয়াৰ উপৰিও সংশ্লিষ্ট চক্ৰৰ মুখ্যসেৱিকাৰ পৰা জানিব পাৰিব। সাক্ষাত কৰৰ বাবে অহা ব্যক্তিক ভ্ৰমন বানচ দিয়া নহ'ব।

**বিঃ দ্ৰঃ – আৱেদনৰ প্ৰ-পত্ৰ সমূহ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব।**

শিশু উন্নয়ন প্ৰকল্প বিষয়া

শিশু উন্নয়ন প্ৰকল্প বিষয়া
তেলাহী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, লখিমপুৰ

Memo No. No. CDPO(Tel)Engagement/49/2023-24/226 Date:- 22/12/2025

ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা হল –
১/ প্ৰতি মাননীয় সঞ্চালক মহোদয়, মহিলা আৰু শিশু বিকাশ বিভাগ,অসম, গুৱাহাটী।
২/ প্ৰতি মাননীয় আয়ুক্ত মহোদয়, লখিমপুৰ।
৪/ প্ৰতি মাননীয় জিলা সমাজ কল্যাণ বিষয়া, লখিমপুৰ।
৫/ প্ৰতি মাননীয় সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সচিব/সভাপতিৰ জ্ঞাতাৰ্থে আৰু নিজ এলেকাত প্ৰচাৰৰ বাবে।
৬/ প্ৰতি মাননীয় সংশ্লিষ্ট মুখ্যসেৱিকাৰ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে।
৭/ কাৰ্যালয়ৰ জাননী ফলক ।

শিশু উন্নয়ন প্ৰকল্প বিষয়া
তেলাহী সংহত শিশু উন্নয়ন প্ৰকল্প

শিশু উন্নয়ন প্ৰকল্প বিষয়া
তেলাহী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, লখিমপুৰ